

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৫

দিল্লীৰ চুলতানীযুগ

(১২০৬-১৫২৬ খ্ৰীঃ)

অংশ – ৬ (প্ৰশ্ন-উত্তৰ)

পৰিনীতা দেৱী

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কামৰূপৰ ৰজা পৃথু আৰু কুটুবুদ্দিনৰ সেনাপতি ৰখটিয়াৰ খিলিজিৰ সংঘৰ্ষৰ কাৰণ কি আছিল? এই সংঘৰ্ষৰ উল্লেখ ক'ত পোৱা যায়?

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্রথম তুৰ্কী অভিযান

উত্তৰঃ চুলতান কুতুবুদ্দিনৰ সেনাপতি মহম্মদ বখতিয়াৰ খিলিজিয়ে চীন দেশ জয়ৰ পৰিকল্পনা কৰিছিল। কিন্তু কামৰূপৰ মাজেৰে যাব লগা হোৱাত সেইসময়ৰ কামৰূপৰ ৰজা পৃথুৰ লগত যুদ্ধত লিপ্ত হৈ বংগদেশলৈ উভতি যাবলৈ বাধ্য হয়। উক্ত ঘটনাকে অসমৰ ইতিহাসত প্ৰথম তুৰ্কী অভিযান হিচাপে জনা যায়। এই সংঘৰ্ষৰ উল্লেখ উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলালিপিত পোৱা যায়।

৬। চুলতানী আমোলত প্ৰচলিত তিনিটা কৰৰ নাম লিখা —



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ চুলতানী আমোলত প্ৰচলিত তিনিটা কৰৰ নাম হ'ল–

১। উৎপন্ন শস্যৰ ওপৰত দিব লগা কৰ।

২। গৰু ম'হৰ ওপৰত দিবলগীয়া কৰ।

৩। ঘৰ-বাৰীৰ ওপৰত দিবলগীয়া কৰ।

৭। আল্লাউদ্দিন খিলজিয়ে বজাৰ নিয়ন্ত্রণৰ বাবে গ্ৰহণ কৰা তিনিটা পদক্ষেপ উল্লেখ কৰা।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ আল্লাউদ্দিন খিলজিয়ে বজাৰ নিয়ন্ত্রণৰ বাবে গ্রহণ কৰা তিনিটা পদক্ষেপ তলত উল্লেখ কৰা হ'ল-

১। নতুনকৈ ব্যৱসায় কৰিবলৈ বিচৰা ব্যক্তিয়ে নাম পঞ্জীয়ন কৰিহে ব্যৱসায় কৰিব পাৰিছিল।

২। দেশৰ আৱশ্যকীয় খাদ্য-সামগ্রীৰ মূল্য নির্ধাৰণ কৰি সাধাৰণ প্রজাক সকাহ দিছিল। তদুপৰি খাদ্য-শস্য কৰ হিচাপে লৈ ৰাজভৰাঁলত জমা কৰিছিল আৰু প্রয়োজনৰ সময়ত সেইবোৰ ৰাজহুৱা ভাবে বিতৰণৰ ব্যৱস্থা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বজাৰ ব্যৱস্থাৰ দুর্নীতি ৰোধ কৰিবলৈ দোষীক কঠোৰ শাস্তি দিয়াৰো ব্যৱস্থা কৰিছিল।



৮। চুলতানী যুগৰ তিনিটা স্মৃতিচিহ্নৰ নাম উল্লেখ কৰা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ চুলতানী যুগৰ তিনিটা স্মৃতিচিহ্নৰ নাম হ'ল–

১। ইলতুতমিছৰ সমাধি।

২। কুটুবমিনাৰ।

৩। আলাই দৰৱাজা।



৯। দিল্লীৰ চুলতানসকলৰ পতনৰ চাৰিটা কাৰণ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ দিল্লীৰ চুলতানসকলৰ পতনৰ চাৰিটা কাৰণ হ'ল –

১। তুৰ্কী শাসকসকলৰ স্বেচ্ছাচাৰী শাসনে ৰজা আৰু প্ৰজাৰ মাজত ব্যৱধান সৃষ্টি কৰিছিল।

২। দাসৰ প্ৰতি পক্ষপাতিত্বৰ ফলত তেওঁলোকৰ ক্ষমতা বৃদ্ধি পায় আৰু চুলতানৰ বিৰুদ্ধে বিৰোধিতা কৰে।

৩। ধৰ্মগুৰু আৰু আমিৰ-উমৰাহৰ অবাধ ক্ষমতাই ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল।

৪। এই সময়চোৱাত ৰাজ্য বিস্তাৰৰ নামত যুদ্ধ-বিগ্ৰহৰ সংখ্যা বাঢ়িছিল যদিও সেনাবাহিনীৰ উন্নয়ন ক্ষেত্ৰত চুলতানসকলে মনোযোগ দিয়া নাছিল।

১০।

চুলতান ফিৰোজছাহ টোগলকে স্থাপন কৰা চহৰ কেইখনৰ নাম লিখা।



উত্তৰঃ চুলতান ফিৰোজছাহ টোগলকে ৫ খন চহৰ স্থাপন। সেই চহৰ কেইখন হ'ল– জৌনপুৰ, ফিৰোজাবাদ, ফাতেহাবাদ, ফিৰোজপুৰ আৰু হিচাৰফিৰোজা।

